অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১

বিজ্ঞপ্তি নম্বৰ ঃ অসাস/প্ৰধান/২০১২-২০১৩/০০১

তাৰিখ ঃ ০১ নৱেম্বৰ, ২০১২ খ্ৰীঃ

প্ৰতি,

**জিলা সভা, শাখা সভা আৰু স্বীকৃত সভাৰ সভাপতি/সম্পাদকসকল,**

অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম অধিৱেশন অহা ১৮, ১৯,২০ আৰু ২১ মাঘ, ১৪১৯ ভাস্কৰাব্দ (১, ২, ৩ আৰু ৪ ফেব্ৰুৱাৰী, ২০১৩ খ্ৰীষ্টাব্দ) তাৰিখ শুকুৰ,শনি, দেও আৰু সোমবাৰে বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত বৰপেটাৰোড চহৰত 'বিশ্বৰত্ন ড° ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰ'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অধিৱেশনখন সৰ্বতোপ্ৰকাৰে সফল কৰি তুলিবলৈ আপোনালোকৰ সহায়-সহযোগ কামনা কৰিলোঁ। আদৰণী সমিতিয়ে অধিৱেশনৰ সকলো কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে প্ৰস্তুতি চলাইছে। আদৰণী সমিতিলৈ সকলোপ্ৰকাৰে সহযোগ আগবঢ়োৱাৰ লগতে দান-বৰঙণিৰে সহায় কৰিবলৈও অনুৰোধ জনালোঁ। দান-বৰঙণি সাধাৰণ সম্পাদক, আদৰণী সমিতি, অসম সাহিত্য সভাৰ দ্বিসপ্ততিতম বৰপেটাৰোড অধিৱেশন, বৰপেটাৰোড, জিলা ঃ বৰপেটা (অসম) এই ঠিকনাত পঠিয়াব পাৰিব। লগতে তলত উল্লেখ কৰা বিষয়সমূহত আপোনালোকৰ পূৰ্ণ সহযোগ কামনা কৰিলোঁ।

১। সভাৰ নিয়মাৱলীৰ সপ্তম ছেদৰ ৩০ (খ) বিধি অনুসৰি প্ৰত্যেক শাখা সভাই মূল সভা আৰু জিলা সাহিত্য সভালৈ প্ৰতিটো খ্ৰীষ্টীয় বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত তেওঁলোকৰ কাৰ্যবিৱৰণী তথা পৰীক্ষিত আৰু সাধাৰণ সভাত গৃহীত আয়-ব্যয়ৰ বছৰেকীয়া প্ৰতিবেদন পঠিয়াব লাগে। লগতে নিয়মাৱলীৰ সপ্তম ছেদৰ ৩০ (ঘ) বিধি অনুসৰি শাখা সভাসমূহে ৩১ ডিচেম্বৰৰ ভিতৰত বছৰেকীয়া বৰঙণি আৰু অন্যান্য দেয় ধন আদায়ৰ লগতে সভ্য ভৰ্তিৰ বহী (ব্যৱহৃত আৰু অব্যৱহৃত) সহ সভ্যৰ তালিকা অনিবাৰ্যভাৱে মূল সভালৈ পঠিয়াব লাগে। সেয়ে, যিসমূহ শাখা সভাই এতিয়াও সভ্য ভৰ্তি বৰঙণি, আয়-ব্যয়ৰ পৰীক্ষিত প্ৰতিবেদন, অধিৱেশনৰ প্ৰস্তাৱ আদি জমা দিয়া নাই, সেইসমূহ শাখাক অহা ৩১ ডিচেম্বৰ, ২০১২ খ্ৰীষ্টাব্দৰ ভিতৰত সংশ্লিষ্ট জিলাৰ অন্তৰ্গত সভাৰ আঞ্চলিক কাৰ্যালয়ত জমা দিবলৈ কোৱা হ'ল।

২। সভাৰ নিয়মাৱলীৰ অষ্টম ছেদৰ ৩১ (ড) বিধি অনুসৰি প্ৰত্যেক জিলা সভাই মূল সভালৈ বছৰেকীয়া বৰঙণি, পত্ৰিকাৰ বৰঙণি আৰু শাখাৰ তালিকাসহ বছৰেকীয়া কামৰ বিৱৰণ, পৰীক্ষিত আৰু সাধাৰণ সভাত গৃহীত আয়-ব্যয়ৰ প্ৰতিবেদন মূল সভালৈ অহা ৩১ ডিচেম্বৰ, ২০১২ খ্ৰীষ্টাব্দৰ ভিতৰত পঠিয়াবলৈ কোৱা হ'ল।

৩। সভাৰ নিয়মাৱলীৰ দশম ছেদৰ ৩৫ নং দফা অনুসৰি প্ৰত্যেক শাখা সভাই প্ৰতি ৫০ (পঞ্চাছ) জন সভ্যৰ পৰা এজনকৈ আৰু ওপৰঞ্চি ২৫ (পঁচিছ) জনত এজনকৈ প্ৰতিনিধি পঠাব পাৰিব। (ব্যাখ্যা ঃ ১-৫০-৭৪লৈ এজন, ৭৫-১২৪ লৈ দুজন, ১২৫-১৭৪ লৈ তিনিজন, ১৭৫-২২৪ লৈ চাৰিজন, ২২৫-২৭৪ লৈ পাঁচজন, ২৭৫-৩২৪ লৈ ছজন এই অনুক্ৰমে প্ৰতিনিধিত্ব পাব)। সেয়ে, জিলা সভা আৰু শাখা সভাৰ সম্পাদকসকলে বা তেওঁলোকৰ মনোনীত প্ৰতিনিধি আহিলে জিলা বা শাখা সভাৰ মোহৰসহ প্ৰয়োজনীয় নথি-পত্ৰ হাতত ৰখাৰ ব্যৱস্থা কৰিব। প্ৰতিনিধিসকলে অধিৱেশনথলীৰ অস্থায়ী কেন্দ্ৰীয় কাৰ্যালয়ত নাম পঞ্জীয়ন কৰি প্ৰতিনিধি পৰিচয় পত্ৰ ল'ব লাগিব।
***প্ৰতিনিধিসকলে বিশেষকৈ সভ্যভৰ্তি মাচুল জমা দিয়া ৰছিদ (২০১১-১২ আৰু ২০১২-১৩ বৰ্ষৰ) অনিবাৰ্যভাৱে লগত আনিব লাগিব।***

৪। সভাৰ নিয়মাৱলীৰ দশম ছেদৰ ৩৭ (ক) (খ) নং দফা অনুসৰি অধিৱেশনৰ আদৰণী সমিতিয়ে অধিৱেশনলৈ সমিতিৰ ৩ জন প্ৰতিনিধি পঠিয়াব পাৰিব আৰু আজীৱন সভ্যৰ ৫০ জনৰ মাজৰ পৰা ১জনকৈ নিৰ্বাচিত প্ৰতিনিধিয়ে অধিৱেশনত প্ৰতিনিধিত্ব কৰিব পাৰিব। সেয়ে, প্ৰত্যেক জিলাৰ অন্তৰ্গত আজীৱন সভ্যসকলৰ ইচ্ছুক প্ৰতিনিধিৰ নাম-তালিকা নিম্নস্বাক্ষৰকাৰীলৈ অহা ৩১ ডিচেম্বৰ, ২০১২ খ্ৰীষ্টাব্দৰ ভিতৰত প্ৰেৰণ কৰিবলৈ কোৱা হ'ল।

৫। এইবেলি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ অষ্টম পূৰ্ণাঙ্গ অধিৱেশন ৩১ জানুৱাৰী, ২০১৩ খ্ৰীষ্টাব্দ তাৰিখে বিয়লি ৩-০০ বজাত অধিৱেশনথলীত অনুষ্ঠিত হ'ব। সেয়ে, সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সমূহবিষয়ববীয়া তথা সদস্যসকলক ৩১ জানুৱাৰীতেই অধিৱেশনথলীত উপস্থিত হ'বলৈ অনুৰোধ জনোৱা হ'ল।

পিপিঠিত..

৬। আদৰণী সমিতিয়ে প্ৰতিনিধিসকলৰ বাবে থকা-খোৱাৰ ব্যৱস্থা কৰিব। প্ৰতিনিধিসকলে প্ৰয়োজনীয় গৰম কাপোৰ আৰু আঠুৱা আনিব লাগিব।

৭। প্ৰতিনিধিসকলে ৰেলৰে বৰপেটাৰোড ষ্টেচনত নামি ৰাষ্ট্ৰীয় ঘাইপথেৰে এক কিলোমিটাৰ পথ গ'লে অধিৱেশনস্থলী পাব। বাছেৰে গ'লে শিমলুগুৰি বাছ আস্থানত নামিলেই অধিৱেশনথলী পাব।

৮। যিসমূহ জিলা সভাই ইতিমধ্যে প্ৰেৰণ কৰা অসম বৰ্ষপঞ্জী, অসম সাহিত্য সভা পৰ্ণিকা, অসম সাহিত্য সভা পত্ৰিকা, অসম সাহিত্য সভা বাৰ্তাসমূহৰ সংগৃহীত ধন সভাৰ কাৰ্যালয়ত জমা দিয়া নাই, সেইসমূহ জিলা সভাক উক্ত ধন আৰু বিক্ৰী নোহোৱা পত্ৰিকা, পৰ্ণিকা, বাৰ্তা আৰু বৰ্ষপঞ্জীসহ অহা **৩১ ডিচেম্বৰ, ২০১২ তাৰিখৰ ভিতৰত অনিবাৰ্যভাৱে সংশ্লিষ্ট আঞ্চলিক কাৰ্যালয়ত জমা দিবলৈ** কোৱা হ'ল।

৯। জিলা আৰু শাখা সভাসমূহে সদ্য প্ৰকাশিত পত্ৰিকা/বাৰ্তাসমূহ অধিৱেশনথলীৰ অস্থায়ী কাৰ্যালয়ৰ পৰা ক্ৰয় কৰিব পাৰিব।

১০। অধিৱেশনথলীত থকা সভাৰ ভ্ৰাম্যমাণ পুথিভঁৰাল আৰু গ্ৰন্থ বিপণিৰ পৰা প্ৰতিজন প্ৰতিনিধিকে সভাৰ প্ৰকাশনসমূহ নিৰ্ধাৰিত ৰেহাই মূল্যত ক্ৰয় কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

১১। প্ৰতিনিধিসকলে ১৫.০০ (পোন্ধৰ) টকাকৈ পঞ্জীয়ন মাচুল অধিৱেশনথলীৰ কেন্দ্ৰীয় কাৰ্যালয়ত জমা দিব লাগিব।

১২। ২ ফেব্ৰুৱাৰী, ২০১৩ খ্ৰীষ্টাব্দ তাৰিখে বিয়লি ৫.৩০ বজাত প্ৰতিনিধি সভা আৰম্ভ হ'ব। সেয়ে নিৰ্ধাৰিত সময়ত প্ৰতিনিধিসকলক উপস্থিত হ'বলৈ জনোৱা হ'ল। প্ৰতিনিধি সভাত উত্থাপিত গুৰুত্বপূৰ্ণ বিষয়, প্ৰশ্ন আদি অহা **১০ জানুৱাৰী, ২০১৩ তাৰিখৰ আগতে** প্ৰধান সম্পাদকলৈ পোনাকৈ লিখিতভাৱে পঠিয়াব লাগিব।

১৩। মূলসভা, জিলা আৰু শাখা সভাসমূহে প্ৰকাশ কৰা সমূহ গ্ৰন্থৰাজিক লৈ সভাই এটি 'জাতীয় পুথিভঁৰাল' স্থাপনৰ বাবে মনস্থ কৰিছে। সেয়ে, প্ৰকাশিত গ্ৰন্থৰ তিনিখনকৈ নিম্নস্বাক্ষৰকাৰীৰ গুৱাহাটী কাৰ্যালয়ৰ ঠিকনাত প্ৰেৰণ কৰিবলৈ জনোৱা হ'ল। ইচ্ছুক জিলা আৰু শাখা সভাই সভাৰ ভ্ৰাম্যমাণ পুথিভঁৰাললৈ নিজ গ্ৰন্থ বিক্ৰীৰ বাবেও প্ৰেৰণ কৰিব পাৰে।

১৪। প্ৰত্যেকখন জিলা আৰু শাখা সভাই নিজ নিজ বৰঙণিসমূহ নিম্নলিখিত সংশ্লিষ্ট আঞ্চলিক কাৰ্যালয়ত জমা দিবলৈ কোৱা হ'ল—

| | | |
|---|---|---|
| **(ক) কেন্দ্ৰীয় কাৰ্যালয়, যোৰহাট** | ঃ | যোৰহাট, শিৱসাগৰ, গোলাঘাট, ভাৰতৰ অন্যান্য ৰাজ্য তথা আমেৰিকা, লণ্ডন আদি |
| **(খ) গুৱাহাটী কাৰ্যালয়, গুৱাহাটী** | ঃ | কামৰূপ, দৰং, মৰিগাঁও, নগাঁও, ওদালগুৰি, বাক্সা, বৰপেটা, কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, ত্ৰিপুৰা, মেঘালয় তথা ভাৰতৰ অন্যান্য ৰাজ্যত থকা সংগঠন (জৰুৰী প্ৰয়োজনবোধে) |
| **(গ) ডিফু কাৰ্যালয়, ডিফু** | ঃ | কাৰ্বি আংলং, ডিমা-হাচাও, নাগালেণ্ড ৰাজ্য |
| **(ঘ) ধুবুৰী কাৰ্যালয়, ধুবুৰী** | ঃ | কোকৰাঝাৰ, বঙাইগাঁও, গোৱালপাৰা, ধুবুৰী, চিৰাং |
| **(ঙ) ডিব্ৰুগড় কাৰ্যালয়, ডিব্ৰুগড়** | ঃ | ডিব্ৰুগড়, তিনিচুকীয়া |
| **(চ) উত্তৰ লক্ষীমপুৰ কাৰ্যালয়, লক্ষীমপুৰ** | ঃ | লক্ষীমপুৰ, শোণিতপুৰ, ধেমাজি আৰু অৰুণাচল প্ৰদেশ |

১৫। বৰপেটাৰোড অধিৱেশনৰ ২ ফেব্ৰুৱাৰী তাৰিখে পুৱা ১০.০০ বজাত 'ৰামধেনু' আৰু বিয়লি ২.০০ বজাত 'আকাশ' অনুষ্ঠান অনুষ্ঠিত হ'ব। সেয়ে, প্ৰত্যেক জিলা সভাই 'ৰামধেনু'ৰ আৰু 'আকাশ'ৰ বাবে এগৰাকীকৈ লেখক-লেখিকাৰ নাম অহা ১০ জানুৱাৰী'১৩ তাৰিখৰ আগতে নিম্নস্বাক্ষৰকাৰীয়ে পোনাকৈ প্ৰেৰণ কৰিবলৈ কোৱা হ'ল।

'চিৰ চেনেহী মোৰ ভাষা জননী'

(পৰমানন্দ ৰাজবংশী)

প্ৰধান সম্পাদক